**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-08-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***
**:::::::::::::::::::::::::::::::::::::::::**

১। বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধনক লৈ বিৰোধী দলসমূহে সৃষ্টি কৰা হুলস্থূলীয়া পৰিৱেশৰ বাবে আজিও সংসদৰ উভয় সদনৰ কাম-কাজ ব্যাহত হয়।

২। ৰাজ্যসভাই ১৩ আগষ্টৰ পৰা প্ৰয়োজ্য হোৱাকৈ মণিপুৰত আৰু ছমাহৰ বাবে ৰাষ্ট্ৰপতিৰ শাসন বৃদ্ধি কৰাৰ প্ৰস্তাৱ মৌখিক ভোটত গ্ৰহণ কৰিছে।

৩। ভাৰত আৰু ফিলিপাইনছে আজি ৯ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। ***আৰু***

৪। উত্তৰাখণ্ডত ক্ষীৰ গংগা নৈৰ অববাহিকাৰ উজনি অংশত ডাৱৰ বিস্ফোৰণৰ ফলত হোৱা আকস্মিক বানত উত্তৰ কাশী জিলাৰ ধৰালি গাওঁত বিস্তৰ ক্ষয় ক্ষতি হৈছে।

***00000***

বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধনক লৈ বিৰোধী দলসমূহে সৃষ্টি কৰা হুলস্থূলীয়া পৰিৱেশৰ বাবে আজি সংসদৰ উভয় সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়।

কাম-কাজ প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দিনৰ দুই বজাত লোকসভা পুনৰ মিলিত হোৱাৰ সময়ত বিৰোধী পক্ষৰ একাংশ সাংসদে বিহাৰত ভোটাৰ তালিকা বিশেষ সংশোধনক লৈ আলোচনা কৰাৰ দাবীত ধ্বনি দিবলৈ ধৰে আৰু সদনৰ মজিয়ালৈ উঠি যায়। এনে পৰিস্থিতিৰ মাজতে অধ্যক্ষই কয়, যে চৰকাৰ যিকোনো বিষয়ক লৈ আলোচনা কৰিবলৈ সাজু। তেওঁ কয় যে প্ৰতিবাদৰত সদস্যসকলৰ আচৰণ সংসদীয় গৰিমাৰ পৰিপন্থী। হুলস্থুলীয়া পৰিস্থিতিৰ মাজতে নিম্ন সদনে গোৱাৰ বিধানসভা সমষ্টিসমূহৰ অনুসূচীত জনজাতিৰ প্ৰতিনিধিত্বৰ পুনৰ সংযোজন বিধেয়ক 2024 গৃহীত কৰে। বাৰে বাৰে অনুৰোধ জনোৱাৰ সত্তেও বিৰোধী সদস্যসকলে প্ৰতিবাদ অব্যাহত ৰখাত অধ্যক্ষই সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰখাৰ কথা ঘোষণা কৰে। ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত লোকসভা মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, ডি এম কে, টি এম চি আৰু অন্যান্য বিৰোধী দলৰ সদস্যসকলে ধ্বনি দি সদনৰ মজিয়ালৈ উঠি যায়। হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে অধ্যক্ষ ওম বিৰলাই প্ৰশ্নোত্তৰ কালৰ কাম-কাজ চলাই নিয়াৰ চেষ্টা কৰে। বিৰোধী সদস্যসকলে

পূৰ্ব পৰিকল্পিতভাৱে সদনৰ কাম-কাজত ব্যাঘাত জন্মাইছে বুলি অধ্যক্ষ বিৰলাই অভিযোগ কৰে। তেওঁ কয়, যে প্ৰতিবাদকাৰী সাংসদসকলে প্ৰদৰ্শন কৰা আচৰণ সংসদীয় গনতন্ত্ৰৰ বাবে গ্ৰহণযোগ্য নহয়। হুলস্থূলীয়া পৰিৱেশ অব্যাহত থকাত অধ্যক্ষই সদনৰ  কাৰ্যক্ৰমণিকা দিনৰ দুই বজালৈকে স্থগিত ৰাখে।

ইয়াৰ পূৰ্বে সদনে সদ্য প্ৰয়াত ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শিবু চোৰেন, প্ৰাক্তন সাংসদদ্বয় তিলকধাৰী প্ৰসাদ সিং আৰু ৰাম ৰতি বিন্দৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনায়।

ৰাজ্যসভাতো একেধৰণৰ পৰিস্থিতিৰ উদ্ভৱ হয়। দিনৰ ২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত বিৰোধী পক্ষৰ সাংসদসকলে ভোটাৰ তালিকাত বিশেষ সংশোধনৰ বিষয় লৈ প্ৰতিবাদ কৰিবলৈ লয়। উচ্চ সদনৰ উপ সভাপতি হৰিবংশে কয় যে সাংসদসকলে সংসদীয় নীতি নিয়ম মানি চলা উচিত। তেওঁ বৰ্ষাকালীন অধিবেশনৰ সময়ছোৱাত সদনত বিশেষ কাম সম্পন্ন নোহোৱাক লৈ উদ্বেগ প্ৰকাশ কৰে। হুলস্থুলীয়া পৰিস্থিতিৰ মাজতে ৰাজ্যসভাই ১৩ আগষ্টৰ পৰা প্ৰয়োজ্য হোৱাকৈ মণিপুৰত আৰু ছমাহৰ বাবে ৰাষ্ট্ৰপতিৰ শাসন বৃদ্ধি কৰাৰ বিধি সন্মত প্ৰস্তাৱ মৌখিক ভোটত গ্ৰহণ কৰে। পৰিস্থিতি উন্নত নোহোৱাত উপ সভাপতিয়ে সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰাখে। ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ সময়ত বিৰোধী দলসমূহে ভোটাৰ তালিকাৰ বিশেষ সংশোধনীক লৈ আলোচনাৰ দাবী কৰে। বিৰোধী সাংসদসকলে সদনৰ মজিয়া চি আই এছ এফৰ জোৱান নিয়োগক লৈয়ো প্ৰশ্ন উত্থাপন কৰে। ৰাজ্যসভাত বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেয়ে কয়, যে তেওঁ বিৰোধী দলসমূহৰ হৈ উপ-সভাপতিলৈ পত্ৰ প্ৰেৰণ কৰিছে। তেওঁ বিৰোধীৰ প্ৰতিবাদৰ সময়ত চি আই এছ এফৰ উপস্থিতিকলৈও প্ৰশ্ন কৰে। প্ৰত্যুত্তৰত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কয়, যে সদনৰ ভিতৰত কেৱল মাৰ্ছেলেহে প্ৰৱেশ কৰিব পাৰিব বুলি সদন পৰিচালনাৰ নিয়মাৱলীত স্পষ্টকৈ উল্লেখ আছে। তেওঁ সদনক মিছা কথাৰে বিপথে পৰিচালিত কৰা বুলি খাৰ্গেৰ বিৰুদ্ধে অভিযোগ কৰে। উপ-সভাপতি হৰিবংশে সদনত অব্যাহত থকা অবাঞ্চনীয় পৰিৱেশ সন্দৰ্ভত কয়, যে একাংশ সাংসদে সম্পূৰ্ণ পৰিকল্পিতভাৱে সদনৰ কামকাজ বাধাগ্ৰস্ত কৰি আহিছে। বিৰোধীৰ প্ৰতিবাদ চলি থকাৰ পৰিপ্ৰেক্ষিতত উপসভাপতিয়ে ৰাজ্যসভাৰ কাৰ্যক্ৰমণিকা দিনৰ দুই বজালৈকে স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

০০০০

ভাৰত আৰু ফিলিপাইনছে আজি ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ফিলিপাইনছৰ ৰাষ্ট্ৰপতি ফাৰ্দিনান্দ ৰোমুএলডেজ মাৰ্কো জুনিয়ৰৰ উপস্থিতিত ৯ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ

কৰে। এই চুক্তিকেইখনে ভাৰত আৰু ফিলিপাইনছৰ মাজৰ কৌশলগত অংশীদাৰিত্ব, অপৰাধজনিত বিষয়, সামৰিক বাহিনী, আইন আৰু বিজ্ঞান তথা প্ৰযুক্তিবিদ্যাৰ লগতে বহুকেইটা বিষয় সামৰি লৈছে। এখন সংবাদ মেল সম্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ফিলিপাইনছৰ ৰাষ্ট্ৰপতিজনৰ এই ভাৰত ভ্ৰমণ বিশেষভাৱে উল্লেখনীয়, কিয়নো এই বৰ্ষত ভাৰত আৰু ফিলিপাইনছে কূটনৈতিক সম্পৰ্কৰ ৭৫ টা বছৰ অতিক্ৰম কৰিছে। তেওঁ কয়, যে দেশ দুখনৰ মাজৰ সম্পৰ্ক বহু পুৰণি। তেওঁ লগতে ৰাষ্ট্ৰপতিজনে পেহেলগামৰ আক্ৰমণৰ নিন্দা কৰা তথা সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতে যুঁজ দিয়াৰ সময়ত প্ৰতিবাৰে  দেশখনে শক্তিশালীভাৱে সমৰ্থন আগবঢ়োৱাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে জনায় যে ভাৰত আৰু ফিলিপাইনছৰ বিকাশৰ সৈতে জড়িত অংশীদাৰিত্বৰ কেইবাটাও দ্ৰুত লাভালাভৰ প্ৰকল্পৰ সংখ্যা ভাৰতে এতিয়াৰ পৰা বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ লগতে ভাৰতে ফিলিপাইনছৰ স্বতন্ত্ৰ তথ্য অধিকোষ আন্তঃগাথনিৰ বিকাশৰ ক্ষেত্ৰতো সহযোগিতা আগবঢ়াব বুলি জানিবলৈ দিয়ে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে দেশ দুখনৰ দ্বিপাক্ষিক বাণিজ্যৰ পৰিসৰ ক্ৰমাত্ বৃদ্ধি পাইছে আৰু বৰ্তমান এই অৰ্থৰ পৰিমাণে ৩০০ কোটি ডলাৰ অতিক্ৰম কৰিছে। তেওঁ লগতে ইণ্ডিয়া –আছিয়ানৰ বাণিজ্য চুক্তিখন সোনকালে পৰ্যালোচনা কৰি সম্পূৰ্ণ কৰা হ’ব বুলিও জানিবলৈ দিয়ে। ফিলিপাইনছৰ ৰাষ্ট্ৰপতি ফাৰ্দিনান্দ ৰোমুঅলডেজ জুনিয়ৰে ভাৰত চৰকাৰৰ সুন্দৰ আতিথ্যৰ বাবে ধন্যবাদ জ্ঞাপন কৰি দুয়োখন দেশৰ সামৰিক আৰু সুৰক্ষাৰ দিশৰ সহযোগিতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত সন্মতি প্ৰকাশ কৰে। তেওঁ লগতে ভাৰতৰ স্থানীয় সামৰিক উদ্যোগৰ অংশীদাৰিত্বৰে ফিলিপাইনছৰ সামৰিক বাহিনীক আধুনিক ৰূপত গঢ়ি তুলিবলৈ সক্ষম হোৱাৰ বাবেও সন্তুষ্টি প্ৰকাশ কৰে।

000

উত্তৰাখণ্ডত ক্ষীৰ গংগা নৈৰ অববাহিকাৰ উজনি অংশত ডাৱৰ বিস্ফোৰণৰ ফলত হোৱা আকস্মিক বানত উত্তৰ কাশী জিলাৰ ধৰালি গাওঁত বিস্তৰ ক্ষয় ক্ষতি হৈছে। ডাৱৰ বিস্ফোৰণৰ ফলত ক্ষীৰ গংগা নদী ফেনে ফোটোকাৰে বাঢ়ি অহাৰ ফলত সৃষ্টি হোৱা এই বানে গাওঁখনৰ বজাৰ অঞ্চলত থকা বহুবোৰ অট্টালিকা, হোটেল আৰু দোকান উটুৱাই নিয়ে। সামৰিক বাহিনী,  জিলা দুৰ্যোগ সঁহাৰি বাহিনী, ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী,  জিলা প্ৰশাসন আৰু স্থানীয় কেতবোৰ সহায়কাৰী দলৰ সহযোগিতাত ইতিমধ্যে বিশেষ অভিযান আৰম্ভ কৰা হৈছে। মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামিয়ে এই দুৰ্যোগৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ বিষয়ে জানিবলৈ উচ্চ পদস্থ বিষয়াসকলৰ সৈতে যোগাযোগ ৰক্ষা কৰি আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমৰ এটা পোষ্টৰ জৰিয়তে জানিবলৈ দিছে যে, জিলাখনৰ এই দুৰ্যোগৰ সময়ত সহায় কৰিব পৰাকৈ বহুকেইটা সঁহাৰি বাহিনীয়ে ৰাজ্য চৰকাৰৰ পৰ্যবেক্ষণত অহৰহ কাম কৰি আছে। তেওঁ লগতে ডাৱৰ বিস্ফোৰণৰ

এই ঘটনাৰ ফলত যিসকল লোকৰ ক্ষতিসাধন হৈছে তেওঁলোকৰ প্ৰতি সহানুভূতি জ্ঞাপন কৰিছে। গৃহ মন্ত্ৰী অমিত শ্বাহে আজি উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰীৰ সৈতে কথা পাতি এই ঘটনাৰ সবিশেষ বুজ লয়। সামাজিক মাধ্যমৰ এটা পোষ্টৰ জৰিয়তে শ্ৰীশ্বাহে জানিবলৈ দিয়ে যে, উত্তৰাখণ্ডৰ ওচৰতে থকা তিনিটা ইন্দো তিব্বতীয় সীমা আৰক্ষী দল আৰু ৪ টা ৰাষ্ট্ৰীয় দুৰ্যোগ সহাৰি বাহিনীক ইতিমধ্যে ঘটনাস্থলীত মোতায়েন কৰা হৈছে আৰু তেওঁলোকে উদ্ধাৰ অভিযানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব।

00000

জম্মু-কাশ্মীৰৰ প্ৰাক্তন ৰাজ্যপাল সত্যপাল মালিকৰ আজি বিয়লি নতুন দিল্লীৰ ৰাম মনোহৰ লোহিয়া চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৯ বছৰ। প্ৰয়াত মালিকে গোৱা আৰু মেঘালয়ৰো ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মালিক মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে সামাজিক মাধ্যমযোগে দিয়া এটা শোকবাৰ্তাত কয় যে প্ৰাক্তন ৰাজ্যপালগৰাকীৰ মৃত্যুৰ বাতৰিয়ে তেওঁৰ ব্যথিত কৰি তুলিছে। তেওঁ লগতে প্ৰয়াত মালিকৰ পৰিয়াল আৰু অনুগামীসকললৈ সমবেদনা প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে প্ৰাক্তন ৰাজ্যপালগৰাকীৰ পৰিয়াল আৰু অনুগামীসকললৈ গভীৰ সমবেদনা জনাইছে।

0000

প্ৰাক্তন মুখ্যমন্ত্ৰী তথা ৰাজ্যসভাৰ সাংসদ শিবু চোৰেণৰ অন্তেষ্টিক্ৰিয়া আজি তেওঁৰ পৈত্ৰিক গাওঁ ৰামগড় জিলাৰ নেম্ৰাত সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদা সহকাৰে সম্পন্ন কৰা হয়। ৰাজ্যপাল সন্তোষ কুমাৰ গংৱাৰ, কেন্দ্ৰীয় মন্ত্ৰী জুৱেল ওৰাম, অন্নপূৰ্ণা দেৱী, সঞ্জয় শেঠ, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা কংগ্ৰেছ সাংসদ সুবোধ কান্ত সাহা, সাংসদ পাপ্পু যাদৱ, অৰ্জুন মুণ্ডা, সুদেশ মাহাতো, লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধী আৰু কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি অন্তেষ্টিক্ৰিয়া অনুষ্ঠানত উপস্থিত থাকে।

0000

সমাপ্ত